Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



নৱম শ্ৰেণীৰ পাঠ্যপুথি

ৰাজনীতি আৰু অৰ্থনীতি বিজ্ঞান

ৰাজনীতি বিজ্ঞান

পাঠ - ২

চৰকাৰৰ প্ৰকাৰ বা শ্ৰেণীবিভাগ

অংশ – ২

বনজিৎ নাথ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



ৰাষ্ট্ৰপতীয় চৰকাৰ

- য'ত কাৰ্যপালিকা আৰু বিধানমণ্ডল পৃথক, স্বাধীন, আৰু কাৰ্যপালিকা বিধানমণ্ডলৰ ওচৰত জবাবদিহি নহয়, তেনে চৰকাৰক ৰাষ্ট্ৰপতীয় চৰকাৰ বুলি কোৱা হয়।
- বৰ্তমান এনে ৰাষ্ট্ৰপতীয় চৰকাৰৰ ভাল উদাহৰণ হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰ (আমেৰিকা)।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ৰাষ্ট্ৰপতীয় চৰকাৰৰ মূল বৈশিষ্ট্য —

1. ৰাষ্ট্ৰপ্ৰধান আৰু চৰকাৰ প্ৰধানৰ মাজত পাৰ্থক্য নাই
2. ক্ষমতাৰ পৃথকীকৰণ নীতি
3. ৰাষ্ট্ৰপ্ৰধানৰ নিৰ্দিষ্ট কাৰ্যকাল
4. বিধানমণ্ডলৰ নিৰ্দিষ্ট কাৰ্যকাল
5. কেবিনেট মাথোঁ পৰামৰ্শদানকাৰী গোট
6. অনমনীয় সংবিধান

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১ ৰাষ্ট্রপ্রধান আৰু চৰকাৰ প্রধানৰ মাজত পার্থক্য নাই ঃ

- সংসদীয় পদ্ধতিৰ চৰকাৰৰ দৰে ৰাষ্ট্রপতীয় চৰকাৰত ৰাষ্ট্রপ্রধান আৰু চৰকাৰ প্রধান বুলি দুজন ব্যক্তি নাথাকে।
- এই ব্যৱস্থাত ৰাষ্ট্রপতিজন ৰাষ্ট্রৰ মুৰব্বীৰ লগতে চৰকাৰৰো মুৰব্বী।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

২ ক্ষমতাৰ পৃথকীকৰণ নীতি ঃ

- ৰাষ্ট্ৰপতীয় চৰকাৰত কার্য্যপালিকা বিধানমণ্ডলৰ প্ৰতি দায়বদ্ধ নহয়।
- চৰকাৰৰ দুয়োটা অংগই ইটোৱে সিটোৰ পৰা যথেষ্ট স্বাধীন।
- বিধানমণ্ডলৰ সদস্যসকল কার্যপালিকাৰ সদস্য হ'ব নোৱাৰে।
- কার্যপালিকাৰ সদস্যই বিধানমণ্ডলৰ কার্য্যকলাপত অংশগ্ৰহণ কৰিব নোৱাৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৩ ৰাষ্ট্রপ্রধানৰ নির্দিষ্ট কার্যকাল ঃ

- ৰাষ্ট্রপতীয় চৰকাৰত ৰাষ্ট্রপতিজন এক নির্দিষ্ট কার্যকালৰ বাবে নির্বাচিত কৰা হয়।
- সাংবিধানিক বিধান উলংঘা কৰাৰ বাবে তেওঁৰ বিৰুদ্ধে মহাভিযোগ প্রস্তাৱ গৃহীত হোৱাৰ বাহিৰে আৰু কোনো কাৰণত ৰাষ্ট্রপতিজনক তেওঁৰ কার্যকালত পদৱীৰ পৰা আঁতৰ কৰিব পৰা নাযায়।
- অভিযোগনামাৰ জৰিয়তে ৰাষ্ট্রপতিক অপসাৰণৰ প্রক্রিয়াটো কঠিন আৰু জটিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৪ বিধানমণ্ডলৰ নির্দিষ্ট কার্যকাল ঃ

- ৰাষ্ট্রপতীয় চৰকাৰত বিধানমণ্ডল ইয়াৰ নির্দিষ্ট কার্যকাল শেষ হোৱাৰ আগতে কোনো কাৰণত ভংগ নহয়।
- ৰাষ্ট্রপতিয়েও বিধায়িনী দল ভংগ কৰিব নোৱাৰে, যিহেতু তেওঁৰ ওপৰত এনে কোনো ক্ষমতা নিহিত হোৱা নাই।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৫ কেবিনেট মাথোঁ পৰামৰ্শদানকাৰী গোট ঃ

- মন্ত্রীসভা এই ৰূপৰ চৰকাৰৰ এটা পৰামৰ্শদাতা এককহে।
- ৰাষ্ট্রপতিয়ে মন্ত্রীসভাৰ সদস্য যেনে সম্পাদকসকলে দিয়া পৰামৰ্শ গ্রহণ কৰিবলৈ বাধ্য নহয়।
- তদুপৰি ৰাষ্ট্রপতিৰ মন্ত্রীসভাৰ সদস্যসকলৰ কার্যকাল ৰাষ্ট্রপতিৰ নিজ ইচ্ছাৰ ওপৰত নির্ভৰশীল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৬ অনমনীয় সংবিধানঃ

☛ ৰাষ্ট্ৰপতীয় চৰকাৰৰ সংবিধানখন অতি কঠিন আৰু সেয়েহে ইয়াক সহজে সংশোধন কৰিব নোৱাৰি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোরে পঢ়ো সকলোরে আগবাঢ়ো

ৰাষ্ট্ৰপতীয় চৰকাৰৰ গুণ

১ ৰাষ্ট্ৰপতীয় চৰকাৰৰ ৰূপ সুস্থিৰ, ৰাষ্ট্ৰপতি আৰু বিধানমণ্ডল দুয়োটাই নির্দিষ্ট কার্যকালত কার্যনির্বাহ কৰে আৰু স্বাভাৱিক পৰিস্থিতিত ৰাষ্ট্ৰপতিক আঁতৰোৱাটো কঠিন।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

২ এই চৰকাৰী ব্যৱস্থাত ক্ষমতা পৃথকীকৰণৰ ভিত্তিত তিনিটা শাখাই স্বতন্ত্রভাৱে কাম কৰে আৰু কোনো শাখাই 'অৱৰোধন আৰু সন্তুলন' (Checks and Balance) নীতিৰ বাবে স্বৈৰাচাৰী হ'ব নোৱাৰে।

৩ এই ধৰণৰ চৰকাৰ জৰুৰীকালীন অৱস্থাৰ বাবে উপযোগী কাৰণ ৰাষ্ট্রপতিৰ হাতত মূল ক্ষমতা থাকে, যাৰ ফলত কোনো পলম নকৰাকৈ দ্রুত সিদ্ধান্ত ল'ব পৰা যায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৪ এই চৰকাৰত শক্তিশালী কার্যপালিকাই ৰাষ্ট্ৰৰ ঐক্য আৰু অখণ্ডতা সুৰক্ষিত হোৱাটো নিশ্চিত কৰে।

৫ ৰাষ্ট্ৰপতীয় চৰকাৰ ৰাজনৈতিক দলৰ প্ৰভাৱৰ পৰা মুক্ত হোৱা বাবে ৰাষ্ট্ৰপতিয়ে নিজ কার্য্য সম্পাদনৰ বাবে সংসদৰ সংখ্যাগৰিষ্ঠ সমর্থনৰ ওপৰত নির্ভৰশীল হোৱাটো প্ৰয়োজনীয় নহয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ৰাষ্ট্ৰপতীয় চৰকাৰৰ দোষ

১ ৰাষ্ট্ৰপতীয় চৰকাৰত ৰাষ্ট্ৰপতিজনক বিধানমণ্ডলে নিয়ন্ত্ৰণ কৰিব নোৱৰা বাবে চৰকাৰ স্বেচ্ছাচাৰী হোৱাৰ আশংকা থাকে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোরে পঢ়ো সকলোরে আগবাঢ়ো

২ ক্ষমতাৰ পৃথকীকৰণ নীতিৰ বাবে ৰাষ্ট্রপতীয় চৰকাৰত কার্যপালিকা আৰু বিধানমণ্ডলৰ মাজত সহযোগিতা নাথাকে। সামগ্রিকভাৱে ই দেশৰ প্রশাসনত বিৰূপ প্রভাৱ পেলায়।

৩ ৰাষ্ট্রপতীয় চৰকাৰৰ অন্যতম বৈশিষ্ট্য হৈছে ইয়াৰ অনমনীয় সংবিধান।

☛ সংবিধানখন অনমনীয় হ'লে পৰিৱর্তিত পৰিৱেশ আৰু পৰিস্থিতিত সংবিধানখন সংশোধন কৰাত জটিলতা আহে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৪ ৰাষ্ট্ৰপতীয় চৰকাৰত কার্যপালিকা আৰু বিধানমণ্ডল ভিন্ন ৰাজনৈতিক দলৰ হ'লে ৰাজনৈতিক সংকট সৃষ্টিৰ সম্ভাৱনা অধিক।

৫ এই চৰকাৰত মন্ত্ৰীত্ব (ছেক্ৰেটাৰী/সচিব) লাভৰ ক্ষেত্ৰত ব্যক্তিগত আনুগত্যই যোগ্যতা আৰু অভিজ্ঞতাতকৈ অধিক গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা থাকে।

মূল্যায়ন



❖ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ

১। ৰাষ্ট্ৰপতীয় চৰকাৰ থকা এখন ৰাষ্ট্ৰৰ নাম হ'ল–

ক) ছুইজাৰলেণ্ড

খ) আমেৰিকা যুক্তৰাষ্ট্ৰ

গ) ভাৰতবৰ্ষ

ঘ) আফ্ৰিকা



- হয়/নহয় লিখা —

২। ক্ষমতাৰ পৃথকীকৰণ নীতি হল যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ অন্যতম প্ৰধান বৈশিষ্ট্য।

উত্তৰ-

চৰকাৰৰ অংগ → কাৰ্যপালিকা, ন্যায়পালিকা, বিধানমণ্ডল